43N (ASS)

[19-HRPGKOW-M1S(N) 20M]

MA 1st Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S1–04]

(অসমীয়া সংস্কৃতি)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) অসমীয়া যাদুমূলক মালিতা দুটাৰ নাম উল্লেখ কৰক।

(ii) 'কামৰূপ' নামটোৰ উল্লেখ প্ৰথম ক'ত পোৱা যায়?

(iii) পণ্ডিতসকলৰ মতে ভাৰত তথা অসমৰ প্ৰাচীনতম বাসিন্দা কোন আছিল?

(iv) সুনীতি কুমাৰ চেটাৰ্জীৰ মতে 'গঙ্গা' শব্দটো কোন ভাষা-পৰিয়ালৰ পৰা আহিছে?

(v) তিব্বত-বর্মীয় ভাষা গোষ্ঠীক প্ৰধানকৈ কি কি শাখাত ভাগ কৰা হৈছে?

(vi) টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা অসমীয়া লোকসাহিত্যলৈ কাৰ পৰা আহিছে?

(vii) কি কি সংস্কৃতি মিলি ভাৰতীয় সংস্কৃতি গঠন হৈছে?

(viii) প্ৰথম কোন শতিকাত অসমলৈ মুছলমানৰ আগমন ঘটে?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) অসমৰ মুছলমান জনসমষ্টিক পাঁচটা/চাৰিটা/সাতটা ভাগত ভাগ কৰিব পাৰি।

(ii) সম্ৰাট অশোকে শৈৱ/বৌদ্ধ/জৈন ধৰ্মক ৰাজ পৃষ্ঠপোষকতা প্ৰদান কৰিছিল।

(iii) 'গুৰু আসন' নামঘৰৰ/শৈৱ পীঠৰ/শক্তি মন্দিৰৰ অপৰিহাৰ্য অঙ্গ।

(iv) অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাসক প্ৰধানকৈ তিনিটা/চাৰিটা/দুটা ভাগত ভাগ কৰা হৈছে।

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) তিব্বত-বৰ্মীয় ভাষিক গোষ্ঠীৰ লোকসকল নৃতাত্ত্বিকভাৱে ____ গোষ্ঠীৰ।

(ii) দেৱীক উপাসনা কৰা ধৰ্মীয় পৰম্পৰাক ____ বোলে।

(iii) নাৰদীয় ভক্তিসূত্ৰ মতে ভক্তিৰ সংজ্ঞা হ'ল ____।

(iv) তেজপুৰৰ দ-পৰ্বতীয়াৰ মন্দিৰৰ ভগ্নস্তূপ ____ যুগৰ স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমলৈ প্ৰব্ৰজন ঘটা বিভিন্ন প্ৰজাতিৰ মানুহক মহম্মদ তাহেৰে কি কি ভাগত কেনেদৰে বিভক্ত কৰিছে?

(b) টোটেমবাদ বুলিলে কি বুজে?

(c) 'যোগিনীতন্ত্ৰ'ৰ চমু পৰিচয় দাঙি ধৰক।

(d) 'পাদশিলা' আৰু 'কৰাপাট' কি?

(e) সত্ৰৰ চাৰি সংহতি কাক বোলে? এই চাৰি সংহতি কি কি?

(f) সত্ৰীয়া সঙ্গীতৰ এটি পৰিচয় আগবঢ়াওক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) অসমীয়া লোকসাহিত্যৰ লগত অসমৰ জনগোষ্ঠীয় লোকসাহিত্যৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰক।

(b) উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰত অষ্ট্ৰিক আৰু অসমীয়া সমাজৰ সাদৃশ্য কেনেধৰণৰ?

(c) তিব্বত-বৰ্মীয়সকলৰ প্ৰভাৱে অসমৰ ভৌতিক সংস্কৃতিক কেনেদৰে সমৃদ্ধ কৰিছে, চমুকৈ লিখক।

(d) অসমীয়া ভাষাৰ শব্দ-সম্ভাৰলৈ মুছলমানসকলৰ অৱদানৰ বিষয়ে লিখক।

(e) অসমৰ জনজাতি আৰু আহোমসকলৰ মাজত শৈৱ ধৰ্মৰ কেনেদৰে প্ৰচলন আছে, চমুকৈ লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) অসমৰ লোক-পৰিৱেশ্য কলাৰ বিষয়ে এটা আলোচনা দাঙি ধৰক।

(b) সমন্বয় আৰু সমাহৰণৰ জৰিয়তে কেনেদৰে অসমীয়া সংস্কৃতিৰ বিকাশ ঘটিছে, বুজাই লিখক।

(c) নৱ বৈষ্ণৱ ধৰ্মৰ আদৰ্শগত বৈশিষ্ট্যসমূহ লিখক।

(d) প্ৰাক্-আহোম যুগৰ মন্দিৰৰ স্থাপত্যসমূহৰ গঠনশৈলীৰ বিষয়ে আলোচনা আগবঢ়াওক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) ''সংস্কৃতিৰ এটা মাত্ৰা হ'ল পৰিশোধন বা পৰিমাৰ্জন।'' কথাষাৰৰ সাৰ্থকতা বিশ্লেষণ কৰি নিজৰ মতামত দাঙি ধৰক।

(b) অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন কৰি এটি প্ৰবন্ধ লিখক।

(c) অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদানৰ বিষয়ে লিখক।

(d) 'অসমত চাইবাৰ প্ৰযুক্তিৰ ব্যৱহাৰ' শীৰ্ষক এটা প্ৰবন্ধ লিখি ইয়াক সংস্কৃতিৰ শাৰীত থ'ব পাৰি নে নোৱাৰি, যুক্তিসহ উল্লেখ কৰক।

★★★